NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-07-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। সমগ্ৰ দেশজুৰি আজিৰে পৰা তিনিখন নতুন ফৌজদাৰী আইন ক্ৰমে ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম নামৰ নতুন আইন কেইখন বলবৎ হ'ব।

২। লোকসভা নিৰ্বাচনত দেশৰ সংবিধান আৰু গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰতি পুনৰ আস্থা প্ৰকাশ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণক ধন্যবাদ জনাইছে।

৩। বিদেশ পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি ড'হাত কাটাৰৰ প্ৰধানমন্ত্ৰী তথা বিদেশ মন্ত্ৰী মহম্মদ বিন-আব্দুল ৰহমান বিন জাচিম অল থানিক সাক্ষাৎ কৰে।

*আৰু*

৪। ইউৰোপ কাপ ফুটবল প্ৰতিযোগিতাৰ যোৱা নিশা অনুষ্ঠিত এখন খেলত স্পেইনে জৰ্জিয়াক ৪-১ গ'লত পৰাস্ত কৰে। ¯

oooooooo

সমগ্ৰ দেশজুৰি আজিৰে পৰা তিনিখন নতুন ফৌজদাৰী আইন ক্ৰমে ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম নামৰ নতুন আইন কেইখন বলবৎ হ'ব। ভাৰত চৰকাৰে এই পৰিপ্ৰেক্ষিতত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সৈতে নিয়মীয়াকৈ বৈঠক অনুষ্ঠিত কৰিছে আৰু সকলোৰে এই নতুন ফৌজদাৰী আইন কেইখন ৰূপায়ন কৰাৰ ক্ষেত্ৰত প্ৰযুক্তি, দক্ষতা নিৰ্মাণ তথা সজাগতা বৃদ্ধি কৰাৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈছে। নতুন আইন কেইখন ৰূপায়ন কৰাৰ বাবে আৰক্ষী আৰু অনুসন্ধান প্ৰাধিকৰণক সকলো ধৰণৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। আকাশবাণী আৰু দূৰদৰ্শনৰ বাতৰি, অনুষ্ঠান, আলোচনা তথা সামাজিক মাধ্যমৰ জৰিয়তে এই সন্দৰ্ভত বিশদ বিশ্লেষণ কৰা হৈছে। তদুপৰি জনসাধাৰণক এই বিষয়ে অৱগত কৰাৰ উদ্দেশ্যে বিভিন্ন ধৰণৰ আলোচনা, তথ্য সমৃদ্ধ ৱেব চাইট, মন্ত্ৰী পৰ্যায়ৰ ৱেবিনাৰ আদিৰ আয়োজন কৰা হৈছে। ইয়াৰ লগতে বিদ্যালয় আৰু উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহৰ পাঠ্যক্ৰমত এই বিষয়সমূহ অন্তৰ্ভুক্ত কৰাৰ বাবেও প্ৰয়াস কৰা হৈছে।

নতুন ফৌজদাৰী আইন কেইখনে প্ৰযুক্তিৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় অপৰাধ সংগ্ৰহ ব্যুৰ'ৰে বৰ্তমান কাৰ্যক্ষম হৈ থকা ক্ৰাইম এণ্ড ক্ৰিমিনেল ট্ৰেকিং নেটৱৰ্কছ এণ্ড চিষ্টেমছ চমুকৈ চিচিটিএনএছ এপ্লিকেচনত ২৩বিধ সংশোধন কৰিব। উল্লেখযোগ্য যে ৰাজ্যৰ কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিশ্ববিদ্যালয় অনুদান আয়োগ, অখিল ভাৰতীয় প্ৰযুক্তি শিক্ষা পৰিষদকে ধৰি সকলো উচ্চ শিক্ষা প্ৰতিষ্ঠানত আজি এদিনীয়াকৈ নতুন ফৌজদাৰী আইনৰ বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা, কৰ্মশালা, প্ৰশ্নোত্তৰ শিতান, কুইজকে ধৰি বিভিন্ন অনুষ্ঠান আয়োজন কৰা হ'ব।

ইপিনে, অসম চৰকাৰে এই আইন তিনিখন ৰাজ্যত নিয়াৰিকৈ প্ৰৱৰ্তনৰ বাবে ন্যায় বিভাগ আৰু অসম আৰক্ষীৰ সহযোগত যাৱতীয় কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে। তদুপৰি নতুন আইনকেইখনৰ সফল ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগে মুখ্য সচিবৰ নেতৃত্বত এখন ৰাজ্যিক পৰ্যায়ৰ কৰ্ণধাৰ সমিতি গঠন কৰি দিছে। ইয়াৰ সমান্তৰালকৈ চৰকাৰী অধিবক্তা আৰু আৰক্ষী লোকসকলকো প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

০০০০০০০০

লোকসভা নিৰ্বাচনত দেশৰ সংবিধান আৰু গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰতি পুনৰ আস্থা প্ৰকাশ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণক ধন্যবাদ জনাইছে। সাধাৰণ নিৰ্বাচনৰ পাছত প্ৰথমটো আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি ৰাষ্ট্ৰক উদ্দেশ্যি শ্ৰীমোদীয়ে কয় যে, চলিত বৰ্ষৰ সাধাৰণ নিৰ্বাচন বিশ্বৰ সৰ্ববৃহৎ নিৰ্বাচনৰূপে পৰিগণিত হৈছে আৰু এইবাৰৰ লোকসভা নিৰ্বাচনত ৬৫ কোটি লোকে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে। বিশ্বৰ আন কোনো দেশত কেতিয়াও ইমান সংখ্যক লোকে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰা নাই বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰিছে। শ্ৰীমোদীয়ে লগতে নিৰ্বাচন আয়োগ আৰু নিৰ্বাচনী প্ৰক্ৰিয়াৰ সৈতে জড়িত সকলোকে অভিনন্দন জনাইছে। এইবাৰৰ বিশ্ব পৰিবেশ দিৱস উপলক্ষে আৰম্ভ কৰা **এক পেড় মা কে নাম** নামৰ বিশেষ অভিযানৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে সমগ্ৰ বিশ্বৰে জনসাধাৰণক মাতৃৰ সৈতে এটি গছপুলি ৰোপণ কৰিবলৈ অথবা এটি পুলি মাতৃৰ নামত উৎসৰ্গা কৰিবলৈ আহ্বান জনাইছে। যোগ সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে কয় যে, সমগ্ৰ বিশ্বই দশম আন্তৰাষ্ট্ৰীয় যোগ দিৱস অতি উৎসাহেৰে পালন কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে অহা মাহত আৰম্ভ হ'বলগীয়া পেৰিছ্ অলিম্পিকৰ কথা উল্লেখ কৰে। তেওঁ কয় যে এইবাৰৰ অলিম্পিকত বহু কেইটা নতুন বিষয় সংযোজন কৰা হ'ব। তেওঁ অলিম্পিকত অংশগ্ৰহণ কৰিবলগীয়া ভাৰতীয় দলটোক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০০০

বিদেশ পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি ড'হাত কাটাৰৰ প্ৰধানমন্ত্ৰী তথা বিদেশ মন্ত্ৰী মহম্মদ বিন-আব্দুল ৰহমান বিন জাচিম অল থানিক সাক্ষাৎ কৰে। ড০ জয়শংকৰে প্ৰধানমন্ত্ৰী অল থানি আৰু কাটাৰৰ আমিৰক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শুভেচ্ছা আৰু অভিবাদন জ্ঞাপন কৰে। তেওঁলোকে ৰাজনীতি, বাণিজ্য, বিনিয়োগ, শক্তি, প্ৰযুক্তি, সংস্কৃতি তথা জনসাধাৰণৰ মাজৰ সম্পৰ্কৰ বিষয়সমূহৰ সন্দৰ্ভত দ্বিপাক্ষিক সহযোগিতাৰ পুনৰ পৰ্যালোচনা কৰে। তেওঁলোকে লগতে আঞ্চলিক আৰু গোলকীয় বিষয়সমূহৰ সন্দৰ্ভতো মত বিনিময় কৰে। বিদেশ পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয় যে তেওঁ ভাৰত-কাটাৰ সম্পৰ্ক অধিক উন্নীত কৰাৰ লগতে উমৈহতীয়া বিষয়সমূহত আলোচনা অব্যাহত ৰখাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে।

০০০০০০০০

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আজি বিভিন্ন কাৰ্যসূচীৰ লগতে **উত্তৰ পূৰ্বাঞ্চলৰ বিকাশ গাথা** শীৰ্ষক এখন আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে। আলোচনাচক্ৰত নেডফিৰ কাৰ্যবাহী সঞ্চালক এছ কে বৰুৱা, লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰিবেশ আৰু বহনক্ষমতা শাখাৰ মুৰববী সিদ্ধাৰ্থ ফুকন, ভাৰতীয় আৰক্ষী সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা আৰক্ষীৰ অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বিভাগৰ সঞ্চালক প্ৰধান প্ৰদীপ কুমাৰ, এইমছ্ গুৱাহাটীৰ কাৰ্যবাহী সঞ্চালক ডাঃ অশোক পুৰাণিক অতিথি হিচাপে উপস্থিত থাকিব। গুৱাহাটীৰ পি আই বিৰ অতিৰিক্ত সঞ্চালক প্ৰধান জেনে নামছুয়ে আলোচনাৰ আঁত ধৰিব। ইয়াৰ লগতে প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি অন্তৰংগ আলাপ অনুষ্ঠিত কৰা হ'ব। সন্ধিয়া সুৰৰ শৰাই শীৰ্ষক অনুষ্ঠানত বিদ্যুত কুমাৰ মিশ্ৰই বেহেলা বাদনৰ লগতে মিৰাণ্ডা চৌধুৰী, পুলক বেনাৰ্জী আৰু ডলী ঘোষ সাধ্যই সংগীত পৰিবেশন কৰিব। এই অনুষ্ঠানতে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা বাতৰি পঢ়া প্ৰতিযোগিতাৰ বিজয়ীসকলৰ নাম ঘোষণা কৰাৰ লগতে পুৰস্কৃত কৰা হ'ব।

০০০০০০০০

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ন বজাত **প্ৰধানমন্ত্ৰী আবাস যোজনাই সকলোৰে বাসগৃহৰ সপোন পূৰ কৰা** সন্দৰ্ভত গ্ৰামীন বিকাশ মন্ত্ৰালয়ৰ উপসঞ্চালক প্ৰধান গয়া প্ৰসাদ আৰু গৃহনিৰ্মাণ তথা নগৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ যুটীয়া সচিব কুলদীপ নাৰায়ণৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১

৪৪৪৪ নম্বৰত ফোন কৰি **প্ৰধানমন্ত্ৰী আবাস যোজনা** সম্পৰ্কে বিষয়া দুৰাকীক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছ্এপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান প্ৰচাৰ হব।

oooooooo

অসমত শেহতীয়া বানত ১২ খন জিলাৰ ২ লাখ ৬২ হাজাৰৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। বানত কালি ২জন লোকৰ মৃত্যু হয়। ৰাজ্যখনত ব্ৰহ্মপুত্ৰকে ধৰি পাঁচখন নদীৰ পানী বিপদ সীমাৰ ওপৰেৰে বৈ আছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি তেওঁৰ লোকসভা সমষ্টি ডিব্ৰুগড়ৰ বান পৰিস্থিতি পৰ্যালোচনা কৰে। জিলাখনৰ বিভিন্ন অঞ্চল বিগত কেইবাদিনো ধৰি পানীত বুৰ গৈ থকাৰ বাতৰি পোৱা গৈছে।

oooooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ পূব, উত্তৰ পশ্চিম আৰু পূবত অহা তিনি-চাৰিদিনলৈ ধাৰাষাৰ বৰষুণ হোৱাৰ আগলি বতৰা দিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত বতৰ বিজ্ঞান বিভাগে এই খণ্ড কেইটাত অ'ৰেঞ্জ আৰু ৰেড এলাৰ্ট জাৰি কৰিছে। বিভাগে হিমাচল প্ৰদেশ, উত্তৰাখণ্ড, পঞ্জাব, হাৰিয়ানা, চণ্ডিগড়, পূব ৰাজস্থান আৰু উত্তৰ প্ৰদেশৰ বেছি ভাগ অঞ্চলতে অহা তিনিদিনলৈ প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। ইপিনে, পূব আৰু উত্তৰ পূব ভাৰতৰ বিহাৰ, পশ্চিমবংগ, চিকিম, অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত অহা দুইৰ পৰা তিনিদিনলৈ ধাৰাষাৰ বৰষুণ হোৱাৰ আগলি বতৰা দিছে।

oooooooo

ইউৰোপ কাপ ফুটবল প্ৰতিযোগিতাৰ যোৱা নিশা অনুষ্ঠিত এখন খেলত স্পেইনে জৰ্জিয়াক ৪-১ গ'লত পৰাস্ত কৰে। স্পেইনৰ ৰ'বিন লে ন'ৰমন্দে নিজৰে গ'ল পোষ্টত দিয়া গ'লৰ বাবে জৰ্জিয়া আশ্বাষ্যজনকভাৱে খেলত অগ্ৰগতি লাভ কৰিছিল। কিন্তু খেলৰ ৩৯ মিনিটত ৰ'ড্ৰিয়ে দিয়া এটা গ'লৰ জৰিয়তে দুয়োটা দলে সমতা স্থাপন কৰে। পাছত খেলৰ দ্বিতীয়াৰ্ধত ফাবিয়ান ৰুইছ, নিক উইলিয়ামছ আৰু দানি অ'লম'ছে দিয়া গ'লৰ ফলত স্পেইনে ৪-১ গ'লত বিজয় সাব্যস্ত কৰে। কোৱাৰ্টাৰ ফাইনেলত স্পেইনে জাৰ্মানীৰ বিৰুদ্ধে খেলিব।

প্ৰতিযোগিতাৰ আন এখন প্ৰি কোৱাৰ্টাৰ ফাইনেলত ইংলেণ্ডে শ্ল'ভাকিয়াক ২-১ গ'লত পৰাস্ত কৰে। কোৱাৰ্টাৰ ফাইনেলত ইংলেণ্ডে চুইজাৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooooo

চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ মহিলাৰ টেষ্ট ক্ৰিকেট খেলখনৰ আজি চতুৰ্থ দিনা দক্ষিণ আফ্ৰিকাই নিজৰ দ্বিতীয় ইনিংচ আৰম্ভ কৰিব। কালি খেল সমাপ্ত হোৱালৈকে দক্ষিণ আফ্ৰিকাই ২ টা উইকেটৰ বিনিময় ২৩২ ৰান কৰি খেলি আছিল। দলটো বৰ্তমান ১০৫ ৰানত পিছপৰি আছে।

পূৰ্বে ভাৰতে প্ৰথম ইনিংচত দক্ষিণ আফ্ৰিকাক ২৬৬ ৰানত আউট ফ'লঅনত খেলাৰ বাবে বাধ্য কৰাইছিল। ভাৰতীয় স্পীনাৰ স্নেহ ৰানাই ৮টা উইকেট দখল কৰি ইতিহাস ৰচনা কৰে। ভাৰতৰ হৈ দিপ্তী শৰ্মাই বাকী দুটা উইকেট দখল কৰে।

oooooooo

**সমাপ্ত**